**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-04-2026
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

***:::::::::::::::::::::::::::::::::::::::::***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে আজি নাগপুৰৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ দ্বিতীয় সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নাগৰিকসকলক বিকাশৰ ৯ টা ক্ষেত্ৰত আন্তৰিকতাৰে নিজকে সমৰ্পিত কৰি বিকশিত ভাৰতক বাস্তৱত পৰিণত কৰিবলৈ আহ্বান জনাইছে।

৩। বিজেপি নেতা সম্ৰাট চৌধুৰীয়ে আজি বিহাৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

৪। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত প্ৰচাৰ অভিযান তুংগত উঠিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু - লক্ষ্ণৌ চুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে আজি কয় যে প্ৰযুক্তিগত উন্নয়নে গ্ৰাম্য আৰু নগৰীয়া স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত নগৰীয়া স্বাস্থ্য সেৱাৰ মাজত থকা বৈষম্যৰ লাভ উঠাব লাগে আৰু সাৰ্বজনীন মানসম্পন্ন স্বাস্থ্যসেৱাৰ সুবিধা প্ৰদান কৰিব লাগে। এই ক্ষেত্ৰত এইমছ নাগপুৰৰ দৰে প্ৰতিষ্ঠানসমূহে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আজি নাগপুৰৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ দ্বিতীয় সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰি এইদৰে কয়। এই অনুষ্ঠানত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল জিষ্ণু দেৱ বাৰ্মা, মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাবীচ, স্বাস্থ্য বিভাগৰ ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও য়াদৱ আৰু এইমছ নাগপুৰৰ অধ্যক্ষ অনন্ত পান্ধাৰেও উপস্থিত থাকে।

শিক্ষাৰ্থীসকলক সম্বোধন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে ৰোগীৰ প্ৰতি যুৱ বিশেষজ্ঞসকলৰ অনুভুতিপ্ৰৱন মনোভাৱৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয়, যে ৰোগী আৰু চিকিৎসকৰ মাজত আত্মবিশ্বাস, চিকিৎসকসকলে তেওলোকৰ ৰোগীৰ প্ৰতি কৰা সন্মানীয় আচৰণৰ পৰা আহে। চিকিৎসা বৃত্তিত সেৱা আগবঢ়োৱাৰ সময়ত দয়ালু মনোভাৱৰ লগতে নৈতিক মূল্যবোধ গঢ়ি তুলিবলৈ তেওঁ আহ্বান জনায়।

স্বাস্থ্য আন্তঃগাথনি বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিগত ১০ বছৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে বৰ্তমানলৈ ৪৩ দশমিক ৫ কোটি আয়ুষ্মান কাৰ্ড বিতৰণ কৰা হৈছে আৰু যিয়ে আয়ুষ্মান ভাৰত - প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত যোগ্য পৰিয়ালসমূহক বছৰি ৫ লাখ টকাৰ স্বাস্থ্য বীমা নিশ্চিত কৰিছে। তদুপৰি সমগ্ৰ দেশতে স্থাপন কৰা ১ লাখ ৮৫ হাজাৰ আয়ুষ্মান আৰোগ্য মন্দিৰৰ জৰিয়তে জনসাধাৰণে ঘৰৰ ওচৰতে স্বাস্থ্য সেৱাৰ সুবিধা লাভ কৰিছে।

এই অনুষ্ঠানত ২১০ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰীৰ প্ৰমাণ-প্ৰত্ৰ আৰু সোণৰ পদক প্ৰদান কৰে। বিয়লি শ্ৰীমতী মুৰ্মুৱে নাগপুৰৰ ৰাষ্ট্ৰীয় প্ৰত্যক্ষ কৰ একাডেমীত ভাৰতীয় ৰাজহ সেৱাৰ আয়কৰ শাখাৰ প্ৰশিক্ষাৰ্থী বিষয়াসকলৰ ৭৮ সংখ্যক বেটছৰ বিদায় অনুষ্ঠানত ভাগ ল'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ ৱাৰ্ধাৰ মহাত্মা গান্ধী আন্তঃৰাষ্ট্ৰীয় হিন্দী বিশ্ববিদ্যালয়ৰ ষষ্ঠ সমাৱৰ্তন সমাৰোহত উপস্থিত থাকিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নাগৰিকসকলক বিকাশৰ ৯ টা ক্ষেত্ৰত আন্তৰিকতাৰে নিজকে সমৰ্পিত কৰি বিকশিত ভাৰতক বাস্তৱত পৰিণত কৰিবলৈ আহ্বান জনাইছে।

আজি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কৰ্ণাটকৰ মন্দ্যা জিলাৰ শ্ৰীক্ষেত্ৰ আদিচুনচনগিৰিত শ্ৰীগুৰু ভৈৰৱৈক্য মন্দিৰ উদ্বোধন কৰি এখন জনসভাত ভাষণ দিয়ে। তেওঁ কয় যে সমাজৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰা সাধু সন্তসকলৰ এই দৃষ্টিভংগী আছিল। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰা ৯ টা ক্ষেত্ৰৰ ভিতৰত জন সংৰক্ষণ আৰু ব্যৱস্থাপনা, এক পেৰ মা কে নাম কাৰ্যসূচীৰ অধীনত গছপুলি ৰোপণ, নিজৰ চৌপাশ ধৰ্মীয় স্থান, গাঁও, নগৰ পৰিষ্কাৰ কৰি ৰখা আদি উল্লেখযোগ্য। দেশী সামগ্ৰী আৰু উদ্যোগিক অনুপ্ৰাণিত কৰি স্বদেশী আন্দোলনক উৎসাহিত কৰিবলৈও প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়। ৰাসায়নিক আৰু কীটনাশক দ্ৰব্য পৰিহাৰ কৰি জৈৱিক তথা প্ৰাকৃতিক কৃষি অৱলম্বন কৰিবলৈও তেওঁ পৰামৰ্শ দিয়ে। শ্ৰীক্ষেত্ৰ আদিচুনচনগিৰিত শ্ৰীগুৰু ভৈৰৱৈক্য মন্দিৰত উপস্থিত হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। পাছত তেওঁ কালাভৈৰবেশ্বৰ মন্দিৰত প্ৰাৰ্থনা কৰাৰ লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰী এইছ্ ডি দেবেগৌড়াৰ সৈতে সৌন্দৰ্য লহৰী আৰু শিৱ মহিম্না স্তোত্ৰম নামৰ গ্ৰন্থ যুটীয়াভাৱে উন্মোচন কৰে।

০০০০

বিহাৰৰ উপ-মুখ্যমন্ত্ৰী তথা বিজেপি নেতা সম্ৰাট চৌধুৰীয়ে আজি পাটনাৰ লোক ভৱনত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। পাটনাৰ ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল ছৈয়দ অটা হাচনাইনে তেওঁক পদ আৰু গোপনীয়তাৰ শপত গ্ৰহণ কৰায়। শ্ৰীচৌধুৰী ৰাজ্যৰ ২৪ সংখ্যক মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত বিজেপিৰ প্ৰথমগৰাকী নেতা। এই অনুষ্ঠানতে জনতা দল ইউনাইটেডৰ নেতা তথা চৰাইৰ বিধায়ক বিজয় কুমাৰ চৌধুৰী আৰু চুপলৰ বিধয়ক ব্ৰিজেন্দ্ৰ প্ৰসাদ যাদৱেও উপ মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। এই অনুষ্ঠানত জে ডি ইউৰ ৰাষ্ট্ৰীয় সভাপতি আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, বিজেপিৰ জ্যেষ্ঠ নেতা জে পি নাড্ডা, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবিনকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ বাবে বিজেপি নেতা সম্ৰাট চৌধুৰীক অভিনন্দন জ্ঞাপন কৰে। শ্ৰীসিঙে কয় যে বিহাৰৰ বাবে নতুন এন ডি এৰ এই দলটো শক্তি আৰু অভিজ্ঞতাৰ সংগম। তেওঁ লগতে কয় যে এই চৰকাৰখনে কেৱল বিহাৰৰ জনসাধাৰণক আশা পূৰণ কৰাই নহয় ৰাজ্যৰ উন্নয়নকো নতুন উচ্চতালৈ লৈ যাব।

০০০০

পাঞ্জাবৰ ফতেহগড় চাহিব জিলাত সংঘটিত পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৮ জনলৈ বৃদ্ধি পাইছে। এই দুৰ্ঘটনাত ২০ জনতকৈ অধিক তীৰ্থযাত্ৰী আঘাতপ্ৰাপ্ত হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে নিজৰ আপোনজনক হেৰুওৱা শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ শীঘ্ৰে আৰোগ্য লাভৰ বাবে প্ৰাৰ্থনা জনায়।

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে পাঞ্জাবৰ ফতেহগড় চাহিব জিলাত সংঘটিত পথ দুৰ্ঘটনাত ৮ জন লোকৰ মৃত্যু হোৱা ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। পাঞ্জাবৰ ৰাজ্যপাল গোলাপ চান্দ কাটাৰীয়াইও এই মৃত্যুত শোক প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে যোৱা নিশা বৈশাখী উপলক্ষে পাঞ্জাবৰ ফতেহগড় চাহিব জিলাত শ্ৰীআনন্দপুৰ সাহিবত প্ৰাৰ্থনা কৰি উভতি অহাৰ সময়ত তীৰ্থযাত্ৰীৰ এখন বাছ দুৰ্ঘটনাত পতিত হোৱাৰ ফলত ৮ জন যাত্ৰীৰ মৃত্যু হৈছিল।

০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক-বিৰোধী উভয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পশ্চিম বংগৰ মালদহৰ পৰা ভাৰ্চুৱেলি দাৰ্জিলিঙৰ লাবং খেলপথাৰত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এখন নিৰ্বাচনী সভাত অংশ লয়। ৰাইজক সম্বোধন কৰি তেওঁ কয় যে পশ্চিম বংগৰ গোৰ্খা জনগোষ্ঠীৰ সমস্যা সমাধানৰ লগতে গোৰ্খা জনগোষ্ঠীৰ বিৰুদ্ধে হোৱা ভুৱা গোচৰ প্ৰত্যাহাৰ হ'ব। আনহাতে শ্ৰীশ্বাহে এই সভাত পশ্চিম বংগৰ তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীকো তীব্ৰ ভাষাৰে সমালোচনা কৰে। এই দলীয় নিৰ্বাচনী প্ৰচাৰ সভাত শ্ৰীশ্বাহক বিজেপি জ্যেষ্ঠ নেতা নিৰ্মলা সীতাৰমন, স্মৃতি ইৰাণী আৰু অনুৰাগ ঠাকুৰে সংগ দিয়ে। ইয়াৰ পাছত শ্ৰীশ্বাহে আলিপুৰদুৱাৰৰ ফালাকাটা মিল ৰোডত এখন নিৰ্বাচনী সভাত ভাগ ল'ব। তেওঁ লগতে কোচবিহাৰৰ তুফানগঞ্জত এখন জনসভাতো ভাষণ দিয়াৰ কথা।

ইপিনে তৃণমূল কংগ্ৰেছৰ সভানেত্ৰী মমতা বেনাৰ্জীয়ে আজি দলৰ হৈ বিভিন্ন স্থানত প্ৰচাৰ চলায়। শ্ৰীমতী বেনাৰ্জীয়ে আজি উত্তৰ ডিনাজপুৰ জিলাৰ ইছলামপুৰত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ লগতে শিলিগুৰি আৰু ছালচাত ৰোডশ্ব'তো ভাগ ল'ব। ০০০০০০

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৬ এপ্ৰিলত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও ২৪ এপ্ৰিলৰ ভিতৰত নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ’বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

প্ৰতিযোগিতাত যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে কলকতা নাইট ৰাইডাৰ্ছক ৩২ ৰানত পৰাস্ত কৰে।

০০০০

শ্ৰীনগৰৰ এম্বাৰ্গকচন পইণ্টৰ পৰা ২০২৬ বৰ্ষৰ হজ তীৰ্থ যাত্ৰা আৰম্ভ হ’ব বুলি জম্মু-কাশ্মীৰৰ হজ কমিটীয়ে ঘোষণা কৰিছে। অহা ১৮ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা এই হজ যাত্ৰাত প্ৰথমে তিনিখন বিমানেৰে যাত্ৰীসকলে যাত্ৰা কৰিব পাৰিব। ইতিমধ্যে তীৰ্থযাত্ৰীসকলৰ বাবে কমিটীয়ে বিশেষ নিৰ্দেশনা জাৰি কৰিছে। কমিটীয়ে হজ যাত্ৰীসকলক তেওঁলোকৰ নিৰ্ধাৰিত সময়ত বেমিনা হজ গৃহত উপস্থিত হ’বলৈ আহ্বান জনাইছে। অহা ১৮ এপ্ৰিলৰ পৰা ২০ মে’লৈ শ্ৰীনগৰৰ পৰা হজযাত্ৰাৰ বিমান চলাচল কৰাৰ কথা আছে। এইবাৰ জম্মু-কাশ্মীৰৰ পৰা মুঠ ৪ হাজাৰ ৭০৪গৰাকী তীৰ্থযাত্ৰীয়ে যাত্ৰা কৰিবলৈ সাজু হৈছে।

০০০০

সমাপ্ত